**REGIONAL NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 13-12-2025 **Time :** 1340 HRS.

ASSAMESE 1340 PM BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। সমগ্ৰ দেশে আজি সংসদ ভৱন আক্ৰমণ প্ৰতিহত কৰিবলৈ গৈ প্ৰাণ হেৰুওৱা সুৰক্ষা বাহিনীৰ লোক তথা এই আক্ৰমণৰ বলি হোৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে।

২। চীফ অৱ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানে পৰিৱৰ্তনশীল পৰিবেশৰ সৈতে খাপ খাবলৈ ভাৰতীয় প্ৰতিৰক্ষা বাহিনীসমূহ সদা প্ৰসতুত হৈ আছে বুলি নিশ্চিত কৰিছে।

৩। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জগত প্ৰকাশ নাড্ডাই চিমলাৰ সমীপৰ মাজথাইত দলটোৰ নতুন ৰাজ্যিক কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰে।

*আৰু*

৪। চেন্নাইত অনুষ্ঠিত স্কোৱাছ বিশ্বকাপৰ ছেমি ফাইনেলত ভাৰত আজি যোৱাবাৰৰ বিজয়ী ইজিপ্তৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

সমগ্ৰ দেশে আজি সংসদ ভৱন আক্ৰমণ প্ৰতিহত কৰিবলৈ গৈ প্ৰাণ হেৰুওৱা সুৰক্ষা বাহিনীৰ লোক তথা এই আক্ৰমণৰ বলি হোৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই আক্ৰমণত প্ৰাণাহুতি দিয়া সাহসী নিৰাপত্তা বিষয়াসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে দেশৰ জাতীয় ভাৱনাক নিজৰ কৰ্তব্যৰ জৰিয়তে অবিৰতভাৱে দিশ দেখুৱাই যোৱা এই বীৰসকলৰ সাহস আৰু ত্যাগক দেশে অভিবাদন জনাইছে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে ছহিদ তথা তেওঁলোকৰ পৰিয়ালৰ প্ৰতি দেশ চিৰঋণী হৈ থাকিব বুলিও উল্লেখ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী ড° এল মুৰুগানে ২০০১ চনৰ আজিৰ দিনটোত হোৱা সংসদ ভৱন আক্ৰমণত প্ৰাণাহুতি দিয়া সাহসী নিৰাপত্তা বিষয়াসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। গৃহমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমৰ জৰিয়তে ছহিদসকলে প্ৰদৰ্শন কৰা অদমনীয় সাহস আৰু বীৰত্বক সোঁৱৰণ কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ২০০১ চনৰ সন্ত্ৰাসবাদী আক্ৰমণৰ সময়ছোৱাত নিৰাপত্তা বিষয়াসকলে সংসদ ভৱনক সুৰক্ষা দিবলৈ কিদৰে চেষ্টা কৰিছিল সেই সন্দৰ্ভত আলোকপাত কৰে। তেওঁলোকৰ সাহস, চূড়ান্ত ত্যাগ আৰু অতুলনীয় দায়িত্ব জ্ঞান দেশবাসীয়ে চিৰকাল মনত ৰাখিব বুলি তেওঁ উল্লেখ কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয় শংকৰে কয় যে তেওঁলোকৰ বীৰত্বই সন্ত্ৰাসবাদক সকলো ধৰণেৰে নিৰ্মূল কৰাৰ বাবে জাতিটোৰ দৃঢ়তাক অধিক শক্তিশালী কৰি তোলে। তথ্য আৰু সম্প্ৰচাৰ ৰাজ্যৰ মন্ত্ৰী ড° এল মুৰুগানেও সাহসী সেনানীসকলৰ বীৰত্বই দেশৰ গণতন্ত্ৰক সুৰক্ষা দি সাৰ্বভৌমত্ব বজাই

ৰখাত সৰ্বোচ্চ বৰঙণি দি আহিছে বুলি উল্লেখ কৰে। উল্লেখযোগ্য যে ২০০১ চনৰ আজিৰ দিনটোতে সন্ত্ৰাসবাদীয়ে সংসদ ভৱনত আক্ৰমণ চলাইছিল। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলা, কেন্দ্ৰীয় মন্ত্ৰী তথা সংসদৰ সদস্যসকলে আজি সংসদ ভৱন চৌহদত এই আক্ৰমণৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধা জনাই পুষ্পাঞ্জলি তৰ্পণ কৰিছে।

০০০০০০০

চীফ অৱ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানে পৰিৱৰ্তনশীল পৰিবেশৰ সৈতে খাপ খাবলৈ ভাৰতীয় প্ৰতিৰক্ষা বাহিনীসমূহ সদা প্ৰসতুত হৈ আছে বুলি নিশ্চিত কৰিছে। যুদ্ধৰ সংজ্ঞা সলনি হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে শক্তিশালী প্ৰতিষ্ঠান, গণতান্ত্ৰিক স্থিৰতা আৰু সশস্ত্ৰ বাহিনীসমূহৰ অতুলনীয় প্ৰতিভাৰ ওপৰত দেশৰ শক্তি নিৰ্ভৰ কৰিছে। হায়দৰাবাদৰ দুণ্ডীগালত বায়ুসেনা একাডেমীৰ ২১৬ সংখ্যক পাঠ্যক্ৰমৰ উমৈহতীয়া স্নাতক কুজকাৱাজত আজি জেনেৰেল অনিল চৌহানে সমবেত লোকসকলক সম্বোধন কৰি এইদৰে কয়। তেওঁ কয় যে অভিযানসমূহ নিয়ন্ত্ৰিত হৈ আছে যদিও অপাৰেচন সীন্দুৰ অব্যাহত থাকিব।

০০০০০০

পশ্চিমবংগত সকলো যোগ্য ভাৰতীয় নাগৰিকৰ নাম ভোটদাতাৰ তালিকাত অন্তৰ্ভুক্ত কৰা প্ৰক্ৰিয়াত ২০০২ চনৰ ভোটদাতাৰ তালিকাত ব্যাপক বিসংগতি পৰিলক্ষিত হৈছে। এই প্ৰক্ৰিয়াৰ প্ৰথম পৰ্যায় অন্ত পৰিছে যদিও নিৰ্বাচন আয়োগে ইতিমধ্যে দাখিল হোৱা আবেদন পত্ৰসমূহ বাৰে বাৰে পুনৰীক্ষণৰ ব্যৱস্থা কৰিছে। এই প্ৰক্ৰিয়াত ৮৫ লাখ এহেজাৰ ৪৮৬ গৰাকী ভোটদাতাৰ পিতৃৰ নামত বিসংগতি পৰিলক্ষিত হৈছে। এই সংখ্যা মুঠ ভোটদাতাৰ ১১ দশমিক ০ - ৯ শতাংশ। আনহাতে, ২৪ লাখ ২১ হাজাৰ ১৩৩ গৰাকী ভোটদাতাৰ ক্ষেত্ৰত ছটাতকৈ অধিক শিশু থকাৰ তথ্য পোহৰলৈ আহিছে। তদুপৰি পিতৃ-মাতৃ আৰু শিশুৰ মাজত বয়সৰ ব্যৱধানৰ ক্ষেত্ৰতো প্ৰবল তাৰতম্য পৰিলক্ষিত হৈছে। ১১ লাখ ৯৫ হাজাৰ ২৩০ গৰাকী ভোটদাতাৰ ক্ষেত্ৰত পিতৃ আৰু মাতৃৰ সৈতে বয়সৰ ব্যৱধান ১৫ বছৰতকৈ কম পৰিলক্ষিত হৈছে। ৮ লাখ ৭৭ হাজাৰ ৭৩৬ জন ভোটদাতাৰ ক্ষেত্ৰত এই পাৰ্থক্য ৫০ বছৰতকৈ অধিক পৰিলক্ষিত হৈছে। এই ব্যৱধান বাস্তৱ জীৱনত সম্ভৱ নহয় বুলি নিৰ্বাচনী আয়োগে প্ৰকাশ কৰিছে। তদুপৰি তিনি লাখ ২৯ হাজাৰ ১৫২ গৰাকী ভোটদাতাৰ ক্ষেত্ৰত ভোটদাতা আৰু ককাক-আইতাকৰ মাজত বয়সৰ ব্যৱধান ৪০ বছৰৰ কম পৰিলক্ষিত হৈছে। ৪৫ বছৰতকৈ অধিক বয়সৰ ২০ লাখ ৭৪ হাজাৰ ২৫৬ গৰাকী ভোটদাতাৰ নাম নতুনকৈ তালিকাত অন্তৰ্ভুক্ত কৰা হৈছে। তদুপৰি ১৩ লাখ ৪৬ হাজাৰ ৯১৮ গৰাকী ভোটদাতাৰ লিংগ সন্দৰ্ভত ভুল তথ্য সন্নিবিষ্ট হৈ আছে। এই তথ্যসমূহ প্ৰত্যেকগৰাকী জিলা নিৰ্বাচনী বিষয়াৰ হাতত অৰ্পন কৰা হৈছে। পৰৱৰ্তী পৰ্যায়ত এইসমূহ সত্যাপন কৰি প্ৰয়োজনীয় শুধৰণি কৰা হ'ব।

নিৰ্বাচন আয়োগে দেশৰ মুখ্য ৮ খন ৰাজ্যত চলি থকা ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত সংশোধনী পৰ্যবেক্ষণৰ বাবে বিশেষ ভোটাৰ পৰ্যবেক্ষক নিয়োগ কৰিছে। এই পৰ্যবেক্ষকসকলক পশ্চিমবংগ, তামিলনাডু, উত্তৰপ্ৰদেশ, গুজৰাট, কেৰালা, মধ্যপ্ৰদেশ, চত্তীশগড় আৰু ৰাজস্থানত নিয়োগ কৰা হৈছে। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে পৰ্যবেক্ষকসকলে ইতিমধ্যে তেওঁলোকৰ কাম আৰম্ভ কৰিছে আৰু ২০২৬ৰ ফেব্ৰুৱাৰীৰ ভিতৰত চূড়ান্ত ভোটাৰ তালিকা প্ৰকাশ নোহোৱা পৰ্যন্ত তেওঁলোকে কাম কৰিব। পৰ্যবেক্ষকসকলে সংশোধনীৰ এই সমগ্ৰ প্ৰক্ৰিয়াটো নিয়াৰিকৈ আৰু স্বচ্ছভাৱে আগবঢ়াই নিয়াটো সুনিশ্চিত কৰিব। তেওঁলোকে ৰাজ্য আৰু জিলা পৰ্যায়ত ৰাজনৈতিক দলসমূহক সাক্ষাৎ কৰি ভোটাৰ তালিকাৰ সংশোধনী সংন্দৰ্ভত তেওঁলোকৰ মতামত গ্ৰহণ কৰিব। পৰ্যবেক্ষকসকলে

লগতে মুখ্য নিৰ্বাচনী বিষয়া আৰু জিলা নিৰ্বাচনী বিষয়াৰ সৈতে শাৰীৰিক বা ভাৰ্চুৱেল ব্যৱস্থাৰে আলোচনাতো অংশগ্ৰহণ কৰিব।

OOOOOOOO

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জগত প্ৰকাশ নাড্ডাই চিমলাৰ সমীপৰ মাজথাইত দলটোৰ নতুন ৰাজ্যিক কাৰ্যালয়ৰ আধাৰশিলা স্থাপন কৰে। ৫ জন পুৰোহিতৰ বৈদিক মন্ত্ৰোচ্চাৰণৰ মাজেৰে এই অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। স্থান পৰিদৰ্শনৰ সময়ত বিজেপিৰ ৰাজ্যিক সভাপতি ড০ ৰাজীৱ বিন্দালে প্ৰস্তাৱিত নতুন কাৰ্যালয়টো পৰিকল্পনাৰ বিশদ আভাস দাঙি ধৰে। শ্ৰী নাড্ডাই কাৰ্যালয়টো গঠন, ইয়াৰ কাৰ্যকৰী প্ৰয়োজনীয়তা আৰু ভৱিষ্যতৰ উপযোগীতা সম্পৰ্কেও নিৰ্দেশনা আগবঢ়ায়। এই আধাৰশিলা স্থাপন অনুষ্ঠানটোত ৰাজ্যিক কাৰ্যবাহী শ্ৰীকান্ত শৰ্মা, সঞ্জয় তন্দন, বিৰোধী দলৰ নেতা জয়ৰাম ঠাকুৰ, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ ঠাকুৰ, ৰাজ্যসভাৰ সাংসদ চিকন্দৰ কুমাৰৰ লগতে দলৰ অন্য কৰ্মচাৰীসকল উপস্থিত থাকে।

OOOOO

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে জৰ্দানৰ হেছেমাইট ৰাজ্য ভ্ৰমণ কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে আব্দুল্লা দ্বিতীয় বিন আল হুছেইন ৰজাৰ আমন্ত্ৰণমৰ্মে ৰাজ্যখন ভ্ৰমণ কৰিব। এইবেলি প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰথমবাৰৰ বাবে জৰ্দানৰ সৈতে পূৰ্ণকালীন দ্বিপাক্ষিক আলোচনাত মিলিত হ'ব। নতুন দিল্লী আৰু অম্মনৰ মাজত হৈ থকা উচ্চ পৰ্যায়ৰ ৰাজনৈতিক আলোচনা তথা দুয়োখন দেশৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৭৫ বৰ্ষ সম্পূৰ্ণ হোৱাৰ সময়তে প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশখন ভ্ৰমণ কৰিব। এই ভ্ৰমণৰ সময়ছোৱাত ৰাজনৈতিক, অৰ্থনৈতিক তথা কৌশলগত দিশসমূহত দ্বিপাক্ষিক সহযোগিতাৰ অগ্ৰগতি পৰ্যালোচনা কৰাৰ লগতে পশ্চিম এছিয়াত আঞ্চলিক স্থিৰতা সন্দৰ্ভত বিশেষ গুৰুত্ব আৰোপ কৰা হ'ব। ভাৰত আৰু জৰ্দানৰ গোলকীয় তথা আঞ্চলিক বিষয় সন্দৰ্ভত নিবিড় সহযোগিতা আছে। দেশ দুখনৰ মাজত নিয়মিতভাৱে নেতৃত্ব পৰ্যায়ৰ আলোচনা তথা মত বিনিময় হৈ থকা দেখা যায়। এই ভ্ৰমণৰ জৰিয়তে সহযোগিতাৰ ৰূপৰেখা অতি শক্তিশালী হোৱাৰ লগতে শান্তি, সুৰক্ষা আৰু প্ৰগতি সন্দৰ্ভত দেশদুখনৰ উমৈহতীয়া অৱস্থিতি পুনৰ নিশ্চিত হ'ব। দুয়োখন দেশে অবিৰতভাৱে সন্ত্ৰাসবাদ, উগ্ৰবাদ তথা সকলোধৰণৰ সমস্যাৰ বিৰুদ্ধে প্ৰায় সহমত পোষণ কৰি আহিছে। দুয়োখন দেশেই সন্ত্ৰাসবাদৰ বলি হোৱাৰ লগতে সহযোগিতাৰ প্ৰয়োজন সন্দৰ্ভত সহমত পোষণ কৰি আহিছে।

OOOOOOO

ভাৰতে জলশুষ্কতাত ভুগি থকা ৰোগীসকলক সমৰ্থন দিয়াৰ উদ্দেশ্যে পেৰুলৈ আঢ়ৈ লাখ চেলাইনৰ বটল প্ৰেৰণ কৰি এখন বিশ্বস্ত মিত্ৰ দেশ হিচাপে নিজকে প্ৰতিফলিত কৰিছে। ইতিমধ্যে ভাৰতীয় ৰাষ্ট্ৰদূতে সৰ্বমুঠ ৩২ টন মানৱীয় সাহায্য পেৰুৰ স্বাস্থ্য মন্ত্ৰালয়লৈ প্ৰেৰণ কৰিছে। পেৰুৰ কৰ্তৃপক্ষই ভাৰতৰ সাহায্যৰ বাবে দেশখনৰ শলাগ লৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই পদক্ষেপৰ জৰিয়তে আৰ্থিকভাৱে অনগ্ৰসৰ দেশসমূহক সমৰ্থন যোগাবলৈ ভাৰতৰ সমৰ্থন প্ৰতিফলিত হৈছে। উল্লেখযোগ্য যে ভাৰত আৰু পেৰুৱে স্বাস্থ্য, ভেষজ, শক্তি, কৃষি, প্ৰতিৰক্ষা তথা বিজ্ঞান প্ৰযুক্তিবিদ্যাকে ধৰি বিভিন্ন খণ্ডত শক্তিশালী দ্বিপাক্ষিক সম্পৰ্ক বজাই আহিছে। শেহতীয়া কেইবছৰমানত স্বাস্থ্য খণ্ডত হোৱা জৰুৰীকালীন অৱস্থাত ভাৰতে পেৰুলৈ চিকিৎসা সাহায্য

আগবঢ়াইছে। পেৰু চৰকাৰে ভাৰতক স্বাস্থ্যখণ্ডৰ বিশ্বাসযোগ্য মিত্র আখ্যা দিয়াৰ লগতে আৰ্থিকভাৱে অনগ্রসৰ দেশসমূহৰ প্রতি সঁহাৰি দিয়াত ভাৰত সৰ্বপ্রথম বুলি উল্লেখ কৰিছে।

০০০০০০০০০

চেন্নাইত অনুষ্ঠিত স্কোৱাছ্ বিশ্বকাপৰ ছেমি ফাইনেলত ভাৰত আজি যোৱাবাৰৰ বিজয়ী ইজিপ্তৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্রতিযোগিতাৰ আন এখন ছেমি ফাইনেলত হংকং আৰু জাপান মুখামুখি হ'ব। ভাৰতে কালি কোৱাৰ্টাৰ ফাইনেলত দক্ষিণ আফ্রিকাক পৰাস্ত কৰে। ভাৰতে দ্বিতীয়বাৰৰ বাবে স্কোৱাছ্ বিশ্বকাপৰ ছেমি ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰিছে। ইয়াৰ পূৰ্বে এই প্রতিযোগিতাত ভাৰতে ছুইজাৰলেণ্ড আৰু ব্রাজিলক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্রৱেশ কৰে।

০০০০০০০০